# REGIONAL NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 10-NOV-2025
**Time :** 0900 Hrs

***Assamese Morning Bulletin***
***Headlines***

---

১। স্বৰ্গদেউ চাওলুং চুকাফাৰ নামেৰে চৰাইদেউত নতুন গ্ৰীণফিল্ড বিশ্ববিদ্যালয় স্থাপনকে ধৰি কেইবাটাও বিষয়ত ৰাজ্যিক মন্ত্ৰীসভাৰ সিদ্ধান্ত।

২। ৰাষ্ট্ৰীয় খাদ্য সুৰক্ষা আইন ২০১৩ৰ অধীনত ৰাজসাহায্যযুক্ত মচুৰ দাইল, চেনী আৰু নিমখ সুলভ মূল্যত যোগান আঁচনিৰ আজি শুভাৰম্ভ।

৩। স্বচ্ছতাৰ ভিত্তিত নিযুক্তি প্ৰদানৰ ফলত যুৱক-যুৱতীসকলৰ মাজত নতুন প্ৰেৰণাৰ সৃষ্টি হৈছে বুলি মুখ্যমন্ত্ৰীৰ মন্তব্য।

৪। বিভিন্ন ক্ষেত্ৰৰ চাৰিগৰাকী বিশিষ্ট ব্যক্তিক ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যৰ ৰাধা গোবিন্দ বৰুৱা সোঁৱৰণী বঁটা প্ৰদান। ***আৰু***

৫। গুৱাহাটীত আজিৰেপৰা দুখনকৈ আই টি এফ আন্তৰ্জাতিক টেনিচ প্ৰতিযোগিতা।

০০০০০০

ৰাজ্য চৰকাৰে স্বৰ্গদেউ চাওলুং চুকাফাৰ নামেৰে চৰাইদেউ জিলাত এখন নতুন গ্ৰীণফিল্ড বিশ্ববিদ্যালয় স্থাপনৰ সিদ্ধান্ত লৈছে। এই বিশ্ববিদ্যালয়খনত কলা আৰু বিজ্ঞান শাখাৰ উপৰি বাণিজ্য আৰু ব্যৱসায় ব্যৱস্থাপনা পাঠ্যক্ৰমৰ ক্ষেত্ৰত বিশেষভাৱে গুৰুত্ব প্ৰদান কৰা হ'ব আৰু এই বিষয়ত বিশ্ববিদ্যালয়খনক উৎকৰ্ষতাৰ কেন্দ্ৰ হিচাপে গঢ়ি তোলা হ'ব। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কালি দিছপুৰৰ লোকসেৱা ভৱনত অনুষ্ঠিত ৰাজ্যিক মন্ত্ৰীসভাৰ বৈঠকৰ অন্তত এখন সংবাদমেলত এই কথা প্ৰকাশ কৰে। ড০ শৰ্মাই কয়, যে অহা ২৫ নৱেম্বৰত আৰম্ভ হ'বলগীয়া বিধানসভাৰ অধিৱেশনত চুকাফা বিশ্ববিদ্যালয় স্থাপনৰ বাবে বিধেয়ক উত্থাপন কৰা হ'ব। মন্ত্ৰীসভাই ৰাজ্যত বহু বিবাহ নিষিদ্ধ কৰাৰ বাবে **অসম বহু বিবাহ প্ৰতিৰোধ বিধেয়ক ২০২৫** বিধানসভাত উত্থাপনৰ বাবে অনুমোদন জনায়। মুখ্যমন্ত্ৰীয়ে কয়, যে এই বিধেয়ক অনুসৰি পত্নী জীৱিত থকা অৱস্থাত বিবাহ বিচ্ছেদ নোহোৱাকৈ আন এগৰাকী বিবাহ কৰোৱা পুৰুষসকলে ৭ বছৰ পৰ্যন্ত কাৰাবাস খাতিব লাগিব। একেদৰে বহু বিবাহৰ বলি হোৱা নিৰ্যাতিতা মহিলা সকলকো আৰ্থিকভাৱে ক্ষতিপূৰণ প্ৰদানৰ বাবেও ব্যৱস্থা লোৱা হ'ব বুলিও ড০ শৰ্মাই উল্লেখ কৰে। অৱশ্যে ষষ্ঠ অনুসূচীৰ অধীনৰ অঞ্চলসমূহ তথা অনুসূচিত জনজাতিৰ লোকসকল এই বিধেয়কৰ আওঁতাৰ বাহিৰত থাকিব।

**বাইট (চি এম) ১**

মন্ত্ৰীসভাই শিৱসাগৰ, ডিব্ৰুগড়, ধেমাজি, বিশ্বনাথ আৰু হোজাই জিলাৰ খিলঞ্জীয়া ভূমিহীন পৰিয়ালৰ বাবে ৪০৭টা ভূমি নিষ্পত্তিৰ প্ৰস্তাৱতো অনুমোদন জনায়। তদুপৰি অসমৰ বিদ্যুৎ ক্ষমতা বৃদ্ধিৰ লক্ষ্যৰে ৰাজ্যত সম্প্ৰতি চলি থকা আৰু আহিবলগীয়া শক্তি প্ৰকল্পসমূহৰ বাবে অনুমোদিত মূলধন বৃদ্ধিৰ ক্ষেত্ৰতো অনুমোদন জনোৱা হয়।মন্ত্ৰীসভাই উত্তৰ গুৱাহাটীৰ ৰংমহলত গুৱাহাটী উচ্চ ন্যায়ালয়ৰ 'ষ্টেট অৱ আৰ্ট জুডিচিয়েল টাউনশ্বিপ'ৰ প্ৰথম পৰ্যায়ৰ নিৰ্মাণকাৰ্যৰ বাবে ৪৭৮ কোটি ৭৮ লাখ টকাৰ পুঁজিত প্ৰশাসনিক অনুমোদন জনায়।

**বাইট (চি এম) ২**

মন্ত্ৰীসভাই বিশ্বকাপ বিজয়ী ভাৰতীয় মহিলা ক্ৰিকেট দলৰ সদস্যা উমা চেত্ৰীলৈ এই কৃতিত্বৰ স্বীকৃতিস্বৰূপে ২৫ লাখ টকা আগবঢ়োৱাৰ কথাও ঘোষণা কৰে।

০০০০০০

ৰাষ্ট্ৰীয় খাদ্য সুৰক্ষা আইন ২০১৩ৰ অধীনৰ পৰিয়ালসমূহক আজি ৰাজসাহায্যযুক্ত মচুৰ দাইল, চেনী আৰু নিমখ সুলভ মূল্যত যোগান আঁচনিৰ শুভাৰম্ভ কৰা হ'ব। গুৱাহাটীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত কেন্দ্ৰীয়ভাৱে আয়োজিত অনুষ্ঠানত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই এই আঁচনিখনৰ শুভাৰম্ভ কৰিব। অনুষ্ঠানত ৰাজ্য চৰকাৰৰ খাদ্য, ৰাজহুৱা বিতৰণ আৰু গ্ৰাহক পৰিক্ৰমা ইত্যাদি বিভাগৰ মন্ত্ৰী কৌশিক ৰায় উপস্থিত থাকিব। এই আঁচনিৰ অধীনত ৰেচন কাৰ্ডপ্ৰাপ্ত পৰিয়ালে প্ৰতি মাহে ৬৯ টকাত মচুৰ দাইল, ৩৮ টকাত চেনি আৰু ১০ টকাত নিমখ ক্ৰয় কৰিব পাৰিব। এই বিশেষ মূল্য নৱেম্বৰ আৰু ডিচেম্বৰ মাহত প্ৰযোজ্য হ'ব। পৰৱৰ্তী পৰ্যায়ত ২০২৬ চনৰ জানুৱাৰীৰ পৰা অধিক সুলভ মূল্যত এই সামগ্ৰীসমূহ উপলভ্য হ'ব। বিশেষভাৱে তৈয়াৰী ১ কিলোগ্ৰামৰ পেকেটত এই সামগ্ৰীসমূহ প্ৰতি মাহে অন্ন সেৱা দিন অৰ্থাৎ ১ৰ পৰা ১০ তাৰিখৰ ভিতৰত ই-প'চ মেচিনৰ জৰিয়তে সুলভ মূল্যৰ দোকানসমূহৰ পৰা বিতৰণ কৰা হ'ব। ৰাজ্যৰ প্ৰায় ৭০ লাখ লোক এই আঁচনিৰ জৰিয়তে উপকৃত হ'ব।

০০০০০০

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কালি গুৱাহাটীৰ খানাপাৰাৰ পশু চিকিৎসা বিজ্ঞান মহাবিদ্যালয় খেলপথাৰত আয়োজিত এটা অনুষ্ঠানত নিম্ন প্ৰাথমিক আৰু উচ্চ প্ৰাথমিক বিদ্যালয়ৰ শিক্ষক পদৰ বাবে বাছনিকৃত ৰাজ্যৰ ৫ হাজাৰ ৫৫০ গৰাকী টেট উত্তীৰ্ণ প্ৰাৰ্থীক নিযুক্তিপত্ৰ প্ৰদান কৰে। ইয়াৰে নিম্ন প্ৰাথমিক বিদ্যালয়ৰ ৩ হাজাৰ ৮০০ গৰাকী আৰু উচ্চ প্ৰাথমিক বিদ্যালয়ৰ এহেজাৰ ৭৫০ গৰাকী প্ৰাৰ্থীক নিযুক্তিপত্ৰ বিতৰণ কৰা হয়। মুখ্যমন্ত্ৰীয়ে এই অনুষ্ঠানতে শিক্ষক সমল পেকেজৰ অধীনত শিক্ষক-শিক্ষয়িত্ৰী সকলৰ মাজত ৮ হাজাৰ ৭৯৯টা টেবলেট বিতৰণ কৰে। তেওঁ লগতে 'আৰোহণ আঁচনি'ৰ অধীনত ছাত্ৰ-ছাত্ৰীসকলক ৪ হাজাৰ ২৮০টা টেবলেট প্ৰদান কাৰ্যসূচীৰো শুভাৰম্ভ কৰে।

অনুষ্ঠানত ভাষণ দি মুখ্যমন্ত্ৰী ড০ শৰ্মাই ৰাজ্য চৰকাৰে স্বচ্ছতাৰ ভিত্তিত নিযুক্তি প্ৰদানৰ ফলত বৰ্তমান যুৱক-যুৱতীসকলৰ মাজত নতুন প্ৰেৰণাৰ সৃষ্টি হৈছে বুলি মন্তব্য কৰে। তেওঁ কয়, যে এতিয়া চৰকাৰী খণ্ডত সংস্থাপন নোপোৱা যুৱক-যুৱতীসকলে ব্যক্তিগত খণ্ডত নিযুক্তি পাব পৰাৰ এটা পৰিবেশ ৰাজ্যত সৃষ্টি হৈছে।

০০০০০০

প্ৰবীণ সাংবাদিক ধীৰেন্দ্ৰ নাথ বেজবৰুৱা, বিশিষ্ট চলচ্চিত্ৰ পৰিচালক জাহ্নু বৰুৱা, উদ্যোগী ড° নৰেন্দ্ৰ নাথ দত্ত আৰু এল ডি ছ'য়ানলৈ ক্ৰীড়া ক্ষেত্ৰলৈ আগবঢ়োৱা অৱদানৰ বাবে এইবাৰ ৰাধা গোবিন্দ বৰুৱা সোঁৱৰণী বঁটা প্ৰদান কৰা হয়। ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যই কালি অনুষ্ঠিত এটা গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত ব্যক্তিকেইজনক এই বঁটা প্ৰদান কৰে। অনুষ্ঠানত কেন্দ্ৰীয় বন্দৰ, জাহাজ পৰিবহণ আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱাল আৰু দি আছাম ট্ৰিবিউন গ্ৰুপৰ পৰিচালন সঞ্চালক ববিতা ৰাজখোৱা উপস্থিত থাকে। অনুষ্ঠানত ভাষণ দি ৰাজ্যপালে বঁটা লাভ কৰা আটাইকেইগৰাকী ব্যক্তিকে নিজ নিজ ক্ষেত্ৰত আগবঢ়োৱা অৱদানৰ বাবে ভূয়সী প্ৰশংসা কৰে। ভাষণ প্ৰসংগত তেওঁ কয়, যে বঁটা লাভ কৰা আটাইকেইগৰাকীয়ে নতুন প্ৰজন্মৰ বাবে সাহস আৰু অনুপ্ৰেৰণাৰ উৎস হৈ ৰ'ব। সমাজৰ হকে কৰা তেওঁলোকৰ কৰ্মৰাজিত অসমৰ বিভিন্ন ক্ষেত্ৰৰ উজ্জীৱিত দিশসমূহ প্ৰতিফলিত হয়। ৰাজ্যপাল শ্ৰী আচাৰ্যই লগতে আছাম ট্ৰিবিউন গ্ৰুপক সাংবাদিকতাৰ ক্ষেত্ৰত ৮ টা দশকজুৰি আগবঢ়াই অহা সবল সেৱাৰ বাবে ধন্যবাদ জ্ঞাপন কৰে।

০০০০০০

গোৱালপাৰা জিলা প্ৰশাসন আৰু বন বিভাগে কালি দহিকটা সংৰক্ষিত বনাঞ্চলত উচ্ছেদ চলাই এহেজাৰ ১৪০ বিঘা ভূমি দখলমুক্ত কৰে। সংৰক্ষিত এই বনাঞ্চলত অবৈধভাৱে ৫৮০ টা পৰিয়ালে দীৰ্ঘদিন ধৰি বসবাস কৰি আছিল

আৰু এমাহ পূৰ্বে প্ৰশাসনে এই লোকসকলক উচ্ছেদৰ জাননী জাৰি কৰিছিল। এই জাননী লাভ কৰাৰ পাছতে প্ৰায়সমূহ পৰিয়ালে সেই স্থান ত্যাগ কৰে যদিও প্ৰশাসনে কালি বাকী থকা পৰিয়ালসমূহৰ ঘৰ-দুৱাৰ উচ্চেদ কৰে। উচ্চেদৰ সময়ত বাধাৰ সৃষ্টি কৰাৰ চেষ্টা চলোৱাৰ বাবে প্ৰশাসনে দুজন লোকক আটক কৰে। বন আৰু পৰিবেশ বিভাগৰ বিশেষ মুখ্য সচিবে শান্তিপূৰ্ণভাৱে এই উচ্ছেদ অভিযান সমাপন হোৱা বুলি প্ৰকাশ কৰে।

০০০০০০

অসমৰ বিলুপ্তপ্ৰায় ৫০০ ৰো অধিক থলুৱা ধানৰ প্ৰজাতি পুনৰুদ্ধাৰ কৰি সংৰক্ষণ কৰিছে যোৰহাট জিলাৰ মেলেং কাঠগাঁৱৰ মহন চন্দ্ৰ বৰাই। তেওঁ নিজ গাঁৱতে স্থাপন কৰিছে ‘অন্নপূৰ্ণা চীড লাইব্ৰেৰী’। কালি সন্ধিয়া ৭ বাজি ৪৫ মিনিটত প্ৰচাৰিত সংবাদ চলন্তিকাত মহন চন্দ্ৰ বৰাই তেওঁৰ অগতানুগতিক প্ৰয়াসৰ বিষয়ে উল্লেখ কৰে।

**বাইট**

০০০০০০

ক্ৰমাৎ হেৰাই যাবলৈ ধৰা শামুকভঙা চৰাইৰ সংৰক্ষণৰ বাবে কলিয়াবৰৰ ৰাইজে অনন্য প্ৰয়াস চলাইছে। আমাৰ নগাঁৱৰ সংবাদদাতাই জনোৱা মতে কলিয়াবৰৰ দেউৰী চিলাবন্ধা গাঁৱৰ কেইবাজোপা গছত বহু বছৰ ধৰি ৫ শতাধিক শামুকভঙা চৰাইয়ে আশ্ৰয় লৈ আছে। প্ৰতিবছৰে শীতৰ আগমনৰ লগে লগে গাঁওখনলৈ শামুকভঙা চৰাইৰ জাকৰ আগমন ঘটে। এই ওখ গছকেইজোপা সংৰক্ষণ কৰি ইয়াৰ বাহত চৰাইৰ পোৱালি ডাঙৰ হোৱালৈ কোনো অসুবিধাৰ যাতে সৃষ্টি নহয় তাৰ বাবে গাঁওখনৰ স্থানীয় লোকে ব্যৱস্থা লৈছে। উল্লেখযোগ্য ওখ গছৰ উপৰি জলাশয়সমূহ ক্ৰমাৎ সংকুচিত হৈ অহাৰ ফলত এই পক্ষীকূলৰ আশ্ৰয়স্থলৰ প্ৰতি ভাবুকিৰ সৃষ্টি হৈছে।

০০০০০০

আন্তঃৰাষ্ট্ৰীয় খ্যাতিসম্পন্ন পদাৰ্থ বিজ্ঞানী ড° দিলীপ চৌধুৰীৰ কালি গুৱাহাটীৰ নিজা বাসভৱনত দেহাৱসান ঘটে। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ৭৮ বছৰ। কালি বিয়লি ভূতনাথ শ্মশানত তেওঁৰ শেষকৃত্য সম্পন্ন কৰা হয়। অধ্যাপক চৌধুৰীৰ মৃত্যুত ৰাজ্যৰ শৈক্ষিক সমাজত শোকৰ ছাঁ পৰিছে। গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা অৱসৰ গ্ৰহণ কৰা অধ্যাপক চৌধুৰী, উচ্চ শক্তিসম্পন্ন পদাৰ্থ বিজ্ঞানৰ গৱেষণামূলক কামৰ বাবে সুপৰিচিত আছিল। নলবাৰী জিলাৰ পকোৱাত জন্মগ্ৰহণ কৰা ড° চৌধুৰীয়ে কটন মহাবিদ্যালয়ৰ পৰা বি এছ চি আৰু দিল্লী বিশ্ববিদ্যালয়ৰ পৰা এম এছ চি ডিগ্ৰী লাভ কৰাৰ পাছত পি এইছ ডি ডিগ্ৰী সম্পূৰ্ণ কৰে। ১৯৭১ চনত গৱেষণা ফেলোশ্বিপ লাভ কৰি তেওঁ অক্সফোৰ্ড বিশ্ববিদ্যালয়ত অধ্যয়ন কৰে। বিভিন্ন বঁটা বাহনৰ লগতে ফ্ৰান্স বিশ্ববিদ্যালয়ৰ ভ্ৰমণকাৰী বিজ্ঞানী অক্সফোৰ্ড বিশ্ববিদ্যালয়ৰ দৰ্শনাৰ্থী, গাণিতিক বিজ্ঞানৰ অধ্যাপক ভি ডি থাৱানি ফেলোশ্বিপকে ধৰি অন্যান্য প্ৰশংসা লাভ কৰিছিল। ৰাজ্য চৰকাৰে বিজ্ঞান গৱেষণাৰ বাবে তেওঁক চলিত বৰ্ষৰ জীৱনজোৰা সাধনা বঁটাৰে সন্মানিত কৰিছিল। তেওঁ অসমীয়া ভাষাত কেইবাখনো বিজ্ঞানৰ গ্ৰন্থ ৰচনা কৰি থৈ যায়। তেওঁৰ মৃত্যুত বিভিন্ন দল-সংগঠনৰ লগতে ব্যক্তি বিশেষে গভীৰ শোক প্ৰকাশ কৰিছে।

০০০০০০

সৰ্বভাৰতীয় টেনিছ সন্থা আৰু আন্তঃৰাষ্ট্ৰীয় টেনিছ ফেডাৰেশ্যনৰ সহযোগত সদৌ অসম টেনিছ সন্থাৰ উদ্যোগত আজিৰ পৰা গুৱাহাটীত দুখনকৈ আন্তৰ্জাতিক টেনিছ প্ৰতিযোগিতা অনুষ্ঠিত হৈছে। প্ৰতিযোগিতা দুখনত অংশগ্ৰহণৰ উদ্দেশ্যে ভাৰতৰ লগতে বিশ্বৰ ১৫ খন দেশৰ দুই-শতাধিক খেলুৱৈয়ে ভাগ লৈছে। চচলৰ টেনিছ প্ৰকল্পত হ’বলগীয়া আন্তঃৰাষ্ট্ৰীয় টেনিছ ফেডাৰেচনৰ বিশ্ব ৰেংকিং ইভেণ্ট আই টি এফ মাষ্টাৰ্ছ এম টি - টু হাণ্ড্ৰেড প্ৰতিযোগিতাখনৰ খেল পুৱাৰে পৰা আৰম্ভ হৈছে। ৩৫, ৪৫, ৫৫ আৰু ৬৫ বছৰৰ উৰ্দ্ধৰ পুৰুষ আৰু মহিলাৰ বাবে প্ৰতিযোগিতাখন মুকলি থাকিব। অহা ১৪ নৱেম্বৰত এই প্ৰতিযোগিতাৰ অন্ত পৰিব যদিও ১৭ নৱেম্বৰৰ পৰা ২২ নৱেম্বৰলৈকে দ্বিতীয়খন প্ৰতিযোগিতা আই টি এফ জুনিয়ৰ অনুষ্ঠিত হ’ব।

০০০০০০

আজি গুৱাহাটীৰ পৰা প্ৰকাশিত দৈনিক কাকতসমূহত গুৱাহাটীৰ আকাশত বায়ুসেনাৰ যুদ্ধ বিমানৰ দৃষ্টিনন্দন প্ৰদৰ্শন, দহিকতা বনাঞ্চলত প্ৰশাসনৰ উচ্ছেদ আৰু ৫ হাজাৰ ৫০০ শিক্ষকক নিযুক্তি পত্ৰ বিতৰণ আদি কেইবাটাও বাতৰিয়ে স্থান লাভ কৰিছে।

অসমৰ ছয় জনগোষ্ঠীৰ জনজাতিকৰণৰ বিষয়টোৱে জটিল ৰূপ ধাৰণ কৰাৰ সময়তে বিগত ৫ বছৰত দেশৰ কেইবাখনো ৰাজ্যৰ জনগোষ্ঠীক জনজাতিৰ মৰ্যাদা প্ৰদান কৰাৰ কথা পোহৰলৈ আহিছে। এই বাতৰি দৈনিক অসম কাকতে প্ৰকাশ কৰিছে। একেটা প্ৰসংগত দৈনিক জনমভূমি, অসমীয়া প্ৰতিদিন কাকতেও বাতৰি প্ৰকাশ কৰিছে।

বহুবিবাহ বন্ধৰ বাবে বিধেয়ক, গুৱাহাটী উচ্চ ন্যায়ালয়ৰ নতুন চৌহদ নিৰ্মাণৰ বাবে ধনৰ অনুমোদন, ক্ৰিকেট খেলুৱৈ উমা চেত্ৰীক আৰ্থিক অনুদান প্ৰদানত অসম মন্ত্ৰীসভাৰ অনুমোদন আদি বিষয় সামৰি প্ৰস্তুত কৰা বাতৰিয়ে অসমীয়া প্ৰতিদিন কাকতত স্থান লাভ কৰিছে।

ৰাষ্ট্ৰীয় স্বয়ং সংঘৰ মুৰব্বী মোহন ভাগৱতে কালি কয়, যে ভাৰত মাতাৰ সন্তানৰূপে নিজকে গণ্য কৰা মুছলিম, খ্ৰীষ্টান আদি সম্প্ৰদায়ৰ লোককো সংঘই আদৰণি জনাব বুলি বুলি প্ৰকাশ কৰে। এই বাতৰি দা ছেণ্টিনেল কাকতে প্ৰকাশ কৰিছে।

দি আছাম ট্ৰিবিউন কাকতে ৰাজ্যৰ চাৰিগৰাকী বিশিষ্ট লোক সাংবাদিক ধীৰেন্দ্ৰ নাথ বেজবৰুৱা, চলচ্চিত্ৰ নিৰ্মাতা জাহ্নু বৰুৱা, উদ্যোগী ড০ নৰেন্দ্ৰ নাথ দত্ত আৰু ক্ৰীড়া ক্ষেত্ৰত লাৰছিং এল ডি চৈয়ানক ৰাধাগোবিন্দ বৰুৱা সোঁৱৰণী বঁটা প্ৰদান কৰাৰ এটা বাতৰি প্ৰকাশ কৰিছে।

উত্তৰ গুৱাহাটীৰ ৰংমহলত উচ্চ ন্যায়ালয়ৰ নতুন চৌহদ নিৰ্মাণৰ বাবে প্ৰথম পৰ্যায়ত ৪৭৮ কোটি ৭৮ লাখ টকা অসম মন্ত্ৰীসভাই অনুমোদন জনোৱাৰ এটা বাতৰি দৈনিক অগ্ৰদূত কাকতত প্ৰকাশ হৈছে।

নিয়মীয়া বাৰ্তা কাকতে গোৱালপাৰাৰ দহিকটা সংৰক্ষিত বনাঞ্চলত প্ৰশাসনে উচ্ছেদ চলোৱাৰ এটা বাতৰি প্ৰকাশ কৰিছে।

অসমীয়া খবৰ কাকতত কালি ৫ হাজাৰ ৫০০ গৰাকী টেট উত্তীৰ্ণ প্ৰাৰ্থীক নিযুক্তি পত্ৰ বিতৰণ কৰাৰ এটা বাতৰি অসমীয়া খবৰ কাকতৰ লগতে অন্যান্য বাতৰি কাকতে প্ৰকাশ কৰিছে।

০০০০০০

বতৰৰ বতৰা–

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত বতৰ পুৱাৰ ভাগত কুঁৱলী আৰু পৰৱৰ্তী সময়ত বতৰ ফৰকাল হোৱাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ৩১ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন ২১ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

এই সময়ছোৱাত অসম, মেঘালয়, নাগালেণ্ড, মণিপুৰ আৰু মিজোৰামত ঠাই বিশেষে পাতলীয়া বৰষুণ হোৱাৰ লগতে অৰুণাচল প্ৰদেশ আৰু ত্ৰিপুৰাৰ অঞ্চল বিশেষে বতৰ শুকান হ'ব পাৰে বুলি বতৰ বিজ্ঞান কেন্দ্ৰই আগলি বতৰা দিছে।

০০০০০০

সমাপ্ত